অসম বিধান সভা
উত্তৰদানৰ তাৰিখ-০৬/০৭/২০২৬
তৰাবিহীন প্ৰশ্ননং- ২৭
*বিষয়ঃ* কাঁইটীয়া তাঁৰৰ বেৰ নিৰ্মাণ সম্পৰ্কে
শ্ৰীমতী দীপ্তিময়ী চৌধুৰী ঃ

মাননীয় গৃহ আৰু ৰাজনৈতিক বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ভাৰত-বাংলাদেশ সীমান্তৰ মুঠ দৈৰ্ঘ্য কিমান কিলোমিটাৰ আৰু উক্ত সীমান্তৰ কাঁইটীয়া তাঁৰৰ বেৰ কিমান কিলোমিটাৰ লৈকে নিৰ্মাণ হ'ল আৰু কিমান কিলোমিটাৰ নিৰ্মাণ কৰিবলৈ বাকী আছে ?

(খ) কাঁইটীয়া তাঁৰৰ বেৰ নিৰ্মাণ হ'বলৈ বাকী থকা জিলাসমূহৰ ভিতৰত কোন অংশত কিমান বাকী আছে জনাব ?

(গ) কাঁইটীয়া তাঁৰৰ বেৰ নিৰ্মাণ কৰিবলৈ এতিয়ালৈ কিমান টকাৰ পুঁজি কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ পৰা মুকলি আৰু ব্যয় হ'ল ? (২০১১ চনৰ পৰা ২০২৫ চনলৈ বছৰ ভিত্তিত মুকলি হোৱা পুঁজিৰ তথ্য দাখিল কৰিব ।)

(ঘ) মুক্ত হৈ থকা সীমান্ত এলেকা বন্ধ কৰিবলৈ চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে আৰু কেতিয়ালৈকে ভাৰত-বাংলাদেশ সীমান্ত সম্পূৰ্ণৰূপে ছীল কৰা হ'ব ?

**উত্তৰ**

সীমান্ত সুৰক্ষা আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী মাননীয় শ্ৰী অতুল বৰা দেৱে উত্তৰ দিব।

(ক) ভাৰত বাংলাদেশ সীমান্তৰ মুঠ দৈৰ্ঘ্য ২৬৭.৫ কি.মি. (Survey of India ৰ তথ্য অনুসৰি), অসমৰ ধুবুৰী, দক্ষিণ-শালমাৰা-মানকাচৰ, কাছাৰ আৰু শ্ৰীভূমি জিলাৰ লগত সংলগ্ন হৈ আছে । এই সীমাৰ ২২৮.৫৪১ কি.মি দৈৰ্ঘ্যত কাইটীয়া তাঁৰৰ বেৰ নিৰ্মাণ কৰা হৈছে আৰু ৩৪.৬০৯ কি.মি দৈৰ্ঘ্য নদী অঞ্চল হোৱা বাবে আৰু শ্ৰীভূমি জিলাৰ কুছিয়াৰা নদীৰ পাৰত ভাৰতীয় মানুহৰ বসতি থকা ৪.৩৫ কি.মি. দৈৰ্ঘ্য Border Guard Bangladesh (BGB) ৰ আপত্তিৰ বাবে কাইটীয়া তাঁৰৰ বেৰ দিব পৰা নাই ।

(খ) কাঁইটীয়া তাঁৰৰ বেৰা নিৰ্মাণ হ'বলৈ বাকী থকা জিলাসমূহৰ সবিশেষ তলত উল্লেখ কৰা হ'ল :

| জিলা | বাকী থকা দৈৰ্ঘ্য |
|---|---|
| ধুবুৰী | ৩০. ৩৭০ কি.মি. |
| দক্ষিন শালমাৰা মানকাছাৰ | ৪. ২৩৯ কি.মি. |
| কাছাৰ | নাই |
| শ্ৰী ভূমি | ৪.৩৫ |
| সৰ্ব মুঠ | ৩৮.৯৫৯ কি.মি. |

(গ) সীমান্তত কাঁইটীয়া তাঁৰ বেৰৰ নিৰ্মাণৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰ জড়িত নহয়। এই ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ গৃহ মন্ত্ৰালয়ে পুঁজি আবণ্টন দিয়ে। সেয়েহে ইয়াৰ তথ্য এই বিভাগত উপলব্ধ নহয়।

(ঘ) ভাৰত বাংলাদেশ সীমা-সম্পূৰ্ণৰূপে ছীল কৰাৰ ব্যৱস্থা কেন্দ্ৰীয় চৰকাৰৰ অধীনস্থ। ভাৰত চৰকাৰৰ উপলব্ধ তথ্য অনুসৰি, মুক্ত হৈ থকা নদী অঞ্চলসমূহত Border Security Force (BSF)-এ Comprehensive Integrated Border Management System (CIBMS) ৰ মাধ্যমেৰে তথা নৌকা পৰ্যবেক্ষণ চকী স্থাপন কৰি নিয়মীয়াভাৱে জলভাগ নিৰীক্ষণ কৰি আহিছে। ইয়াৰ উপৰিও, বাকী থকা শ্ৰীভূমি জিলাৰ কুছিয়াৰা নদীৰ পাৰৰ ৪.৩৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ অংশ Border Security Force-এ কটকটীয়া নিৰাপত্তা ব্যৱস্থাৰ অধীনত ৰখা হৈছে।

**বিঃদ্ৰঃ** – উত্তৰ NeVA portal https://cms.neva.gov.in/ ত আপলোড কৰা হৈছে ।

**********